**বিদ্যালয় সম্প্ৰদায়ৰ সামগ্ৰিক, নৈতিক আৰু আচৰণ-নীতিৰ উত্তৰণৰ অৰ্থে অধ্যক্ষৰ নেতৃত্বদায়ী গুণৰ পৰিচালনা (Leading Leadership Qualities of Principal for Improving Holistic, Moral and Ethical Values in School Community)**

**নীল শৰ্মা,**
**অৱসৰী প্ৰবক্তা,**
**বাণীকান্ত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, গুৱাহাটী**

**প্ৰস্তাৱনা (Introduction):** 'বিদ্যালয় সম্প্ৰদায়' বোলোঁতে প্ৰতিষ্ঠানৰ শিক্ষক-শিক্ষাৰ্থী, ইয়াত কৰ্মৰত কৰ্মচাৰী, অভিভাৱক, শুভচিন্তক ব্যক্তি-সমাজক সামৰি লোৱা হৈছে । এই সামগ্ৰিক গোটটোৰ সৰ্বাত্মক সহযোগ, কৰ্তব্যবোধ, একান্ত দায়বদ্ধতা আৰু পাৰস্পৰিক বুজা-পৰাৰ আধাৰত এক প্ৰত্যাশিত তথা প্ৰত্যয়দৃপ্ত প্ৰতিষ্ঠানৰ বিকাশধাৰা সম্ভৱ হৈ উঠে । ইয়াত সম্প্ৰদায়ৰ অংশীদাৰ সকলোৰে এক নিৰন্তৰ দায়বদ্ধতাৰ প্ৰতিফলন অৱশ্যেই আকাংক্ষিত । কিন্তু, গছ এজোপাৰ মূল-শিপা ধাৰক বা শক্তিশালী হলেহে তাৰ শ্ৰীবৃদ্ধি সম্ভৱ হোৱাৰ লেখীয়া শৈক্ষিক প্ৰতিষ্ঠানখনৰ চালিকা শক্তিস্বৰূপ অধ্যক্ষগৰাকী ভৱিষ্যত স্বপ্নদ্ৰষ্টা আৰু চুম্বকীয় ব্যক্তিত্বৰ অধিকাৰী হ'লেহে সম্পৰ্কিত প্ৰতিষ্ঠানখনিৰ সুনাম সম্ভৱ হৈ পৰে । আৰু এই চুম্বকীয় ব্যক্তিত্ব অৰ্জন কৰিবলৈ নিশাৰ ভিতৰতে কোনোপধ্যেই সম্ভৱপৰ নহয় বুলি দৃঢ়তাৰে ক'ব পাৰি । এই ক্ষেত্ৰত অধ্যক্ষসকলে অকল জ্ঞান-চৰ্চা কৰিলেই পৰ্যাপ্ত নহয়, বিপৰীতে প্ৰজ্ঞাৰ সাধনা অতিকে আৱশ্যক । যুক্তিসংগত ধ্যান-ধাৰণাৰ লগতে কৰ্মোদ্যমো অধ্যক্ষসকলৰ বাবে কৃতকাৰ্যতাৰ পূৰ্বচৰ্ত । এতেকে, অধ্যক্ষগৰাকীৰ ইতিবাচক আৰু সকলোৰে অন্তৰস্পৰ্শী নেতৃত্বদানৰ সকলো সময় আৰু সকলো ক্ষেত্ৰতে প্ৰতিভাসিত গুণৰাশিৰ তাৎপৰ্য বিচাৰৰ প্ৰয়াসেই হ'ল এই মডিয়ুলৰ মূলাধাৰ ।

**শিকন উদ্দেশ্যাৱলী (Learning Objectives):**

ক) মডিয়ুলটি অধ্যয়ন কৰিলে অধ্যক্ষসকলে স্বকৰ্তব্যৰ পৰিসীমা সম্পৰ্কে অৱহিত হ'ব, আৰু

খ) নেতৃত্বদান গুণৰ পৰিচালনা তথা পথ প্ৰদৰ্শকৰূপে নিজ ভূমিকাৰ গুৰুত্ব অনুধাৱন কৰিব ।

**মূল শব্দ (Key Words):** বিকাশ, সৰ্বাত্মক, উত্তৰণ, অনুধাৱন, স্বপ্নদ্ৰষ্টা, চুম্বকীয়, নেতৃত্বদান আৰু পৰিচালনা ।

**মুল বিষয় (Key Theme):** বিদ্যালয়ৰ স'তে যুক্ত সম্প্ৰদায়ৰ পৰিসৰৰ কথা ইতিমধ্যে দোহৰা হৈছে । এই সামূহিকৰ সামগ্রিক বিকাশৰ বাবে নিৰূপিত ক্ষেত্ৰকেইটা হৈছে- দৈহিক, মানসিক, আধ্যাত্মিক, বৌদ্ধিক আৰু নৈতিক । এই পঞ্চক্ষেত্ৰৰ সুষম সংযুক্তিয়ে ব্যক্তিৰ লগতে সমাজৰো প্ৰত্যাশিত বিকাশৰ ভেটি সুদৃঢ় কৰি তোলে । অৱশ্যে, যথাৰ্থভাৱে ক'বলৈ হ'লে, দৈহিক বিকাশৰ বেলিকা কাৰো হাত নাথাকে যদিও বিশেষকৈ ল'ৰা-ছোৱালী অৰ্থাৎ শিক্ষাৰ্থীৰ সুস্থ শৰীৰ অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত সম্পৰ্কিত সম্প্ৰদায়ৰ এক অন্তৰ্লীন ভূমিকা থাকে । সাধাৰণতে কোৱা হয় যে সুস্থ শৰীৰতহে সুস্থ মনৰ বিকাশ ঘটে । আনহাতে, বিদ্যালয় অধ্যক্ষৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী বা সংযুক্ত সম্প্ৰদায়ৰ দৈহিক স্বাস্থ্য ৰক্ষাত কোনো প্ৰত্যক্ষ কাৰ্য-কাৰণ নাথাকিলেও কিন্তু আওপকীয়াকৈ হ'লেও থাকে । অধ্যক্ষ বা বিদ্যালয় প্ৰধানে অভিভাৱকৰ সভাত অথবা অন্য কোনো সামাজিক মঞ্চত ল'ৰা-ছোৱালীহঁতৰ দৈহিক স্বাস্থ্য ৰক্ষাত কি কি কৰণীয় বা অকাম্য বদ্ অভ্যাসৰ পৰা শিক্ষাৰ্থীক কি ধৰণে আঁতৰাই ৰাখিব পৰা যায় তাৰ সন্দৰ্ভত কাৰ্যকৰী পৰামৰ্শ তথা কৌশল গ্ৰহণৰ অৰ্থে নেতৃত্ব প্ৰদানৰ মুখ্য ভূমিকা পালন কৰিব পাৰে । এই কাৰ্য আপাতঃদৃষ্টিত জটিল হ'লেও দীৰ্ঘম্যাদী পৰিকল্পনা প্ৰসূত আৰু ইতিবাচক মনোভংগীৰে অধ্যক্ষসকলেই ইয়াৰ নেতৃত্ব ল'ব লাগিব । কিয়নো, তেখেতলোকেই হ'ল বিদ্যায়তনিক সাফল্যৰ দিগ্‌দৰ্শনকাৰী ।

অভিভাৱকৰ সভাত অধ্যক্ষসকলে উপৰিউক্ত দিশৰ চিন্তন সম্পৰ্কে তলৰ প্ৰশ্নবোৰৰ অৱতাৰণা কৰি ৰাজহুৱা মতামতৰ ধাৰা দৃষ্টি কৰিব পাৰে । প্ৰশ্নবোৰ অৱশ্যেই নমুনাহে ।

**প্ৰতিফলিত প্ৰশ্ন (Reflective Questions):**

অধ্যক্ষঃ ১) ল'ৰা-ছোৱালীবোৰেই আমাৰ ভৱিষ্যত । সিহঁতক আমি 'তাৎক্ষণিকভাৱে প্ৰস্তুত খাদ্য' খাবলৈ দিয়া উচিত নে ? এবাৰ ভাবকচোন, ধূলি-মাকতি পৰিৱেষ্টিত পৰিৱেশত প্ৰস্তুত কৰা খাদ্যবোৰ পুষ্টিকৰ হয়নে ?

২) ৰাসায়নিক সাৰ প্ৰয়োগ কৰি উৎপাদন কৰা শাক-পাচলিবোৰ আমাৰ স্বাস্থ্যৰ বাবে উপাদেয় হ'ব পাৰেনে ? ইয়াক বাৰু বৰবিহৰ লগত কিয় তুলনা কৰা হয় ? এইবোৰে আমাৰ দেহত কি ধৰণে ক্ষতি কৰিব পাৰে তাৰ বিষয়ে চিন্তা কৰিছোঁনে ? জৈৱিক সাৰ প্ৰয়োগৰ আৱশ্যকতা সম্পৰ্কে আমি জনমত গঢ়ি তোলা সমীচীন নহ'বনে ?

৩) বিভিন্ন ধৰণৰ বন শাক যেনেঃ কচু, ঢেঁকিয়া, মচন্দৰী, তেওঁচী আদি সহজলভ্য অথচ শৰীৰৰ বাবে উপকাৰী খাদ্য গ্ৰহণৰ অভ্যাস গঢ়ি তুলিবলৈ আমি সজাগতাৰ ব্যৱস্থা ল'ব নোৱাৰোনে ?

এই ধৰণৰ চিন্তা উদ্বেলক তথা প্ৰাসংগিক প্ৰসংগ দাঙি ধৰিলে সকলো পক্ষৰ ধ্যান-ধাৰণা জানিব পৰা হ'ব । এতেকে অভিভাৱকসকলো এই চিন্তন বা যুক্তিৰ অংশীদাৰ হ'লে সাৰ্বিক চেতনাৰ দুৱাৰ মুকলি হ'ব আৰু নিঃসন্দেহে ইয়েই হ'ল অধ্যক্ষৰ নেতৃত্বদায়ী গুণৰ এক বিনম্ৰ প্ৰতিফলন ।

পৰৱৰ্তী দিশকেইটাও অতিকে গুৰুত্বপূৰ্ণ আৰু সেইকেইটা হল- **মানসিক, আধ্যাত্মিক, বৌদ্ধিক** আৰু **নৈতিক বিকাশ** । অৱধাৰিতভাৱে এই উপাদানসমূহৰ বিকাশ বা সমৃদ্ধি প্ৰক্ৰিয়াত অধ্যক্ষসকলে এক ইতিবাচক মনোভংগীৰ সূচনা কৰিব পাৰে আৰু তাৰ আৱশ্যকতাও সৰ্বদা বিদ্যমান।

প্ৰাসংগিকবোধে এই উপাদান কেইটিৰ সংক্ষিপ্ত আলোচনা আগবঢ়োঁৱা হ'ল ।

**মানসিক বিকাশঃ(Mental Development):** মননৰ যুক্তিযুক্ত সমৃদ্ধি আৰু গতিশীলতাৰ অৰ্থে সমৰ্পিত উপাদানৰ ক্ষেত্ৰ বিচাৰেই হ'ল মানসিক বিকাশৰ নিৰূপন ৰেখা । বয়সৰ পৰ্যায় অনুসৰি মানসিক বিকাশৰ গতিধাৰা সাধাৰণতে নিয়ন্ত্ৰিত হয় । অৱশ্যে, বিশেষ বাধাগ্ৰস্ততাই ইয়াত হেঙাৰ সৃষ্টি কৰিব পাৰে । স্বাভাৱিক গতিধাৰাত এগৰাকী দহ বছৰীয়া নাবালিকাৰ মানসিক ৰুচি, বুদ্ধি-বৃত্তি বা আৱেগিক মাত্ৰা আদি এগৰাকী পঞ্চাশ বছৰীয়া মহিলাৰ আৱেগ-অনুভূতিৰ স'তে ৰজিতা খুৱাব নোৱাৰি । গতিকে, মানসিক স্তৰ আৰু নিৰূপিত বুদ্ধি-বৃত্তিৰ পৰ্যায় অনুসৰি সামাজিক স্বীকৃতি বা আচৰণ বিধিৰ কথা মনত ৰখা প্ৰয়োজন । নেতৃত্বদায়ী ব্যক্তি বা গোট এই বিষয়ত সংবেদনশীল নহ'লে নহ'ব । ইয়াৰ বাবে কৌশল আৰু সমমৰ্মিতাৰো একান্ত আৱশ্যক ।

**আধ্যাত্মিক বিকাশঃ(Spiritual Development):** জীৱন আৰু জগত সম্বন্ধে গ্ৰহণ কৰা আধিভৌতিক ধ্যান-ধাৰণাই হ'ল আধ্যাত্মিকতাৰ সাৰৱত্তা । সহজকৈ ক'বলৈ হ'লে অন্তৰৰ বিশ্বাস আৰু তাৰ আলমত গঢ়ি উঠা মূল্যমানেই আধ্যাত্মিকতাৰ আধাৰ । ধৰ্মীয় বিচাৰ অনুভূতিৰ ভিত্তিত জাগতিক দৃষ্টিভংগীয়ে মানুহৰ মনত স্থায়ীকৈ কিছু মূল্যবোধৰ সৃষ্টি কৰে আৰু এই মূল্যবোধসমূহ বাহ্যিক নহৈ আভ্যন্তৰীণ হিচাপে গৃহীত আৰু খোদিত । সকলো ব্যক্তি সম্প্ৰদায়ৰ মাজতেই

আধ্যাত্মিক বিশ্বাস আৰু চেতনাৰ ভিন্ন মাত্ৰা বিদ্যমান । অধ্যক্ষৰ নেতৃত্বদায়ী দিশটো হ'ল সেই বিদ্যমান চেতনাৰ পৰ্যায়ক সৰ্বজন গৃহীত আৰু সমাদৃত এক ৰূপান্তৰৰ চেতনালৈ পৰিৱৰ্তিত কৰা, যাতে সম্প্ৰদায়ে বিশ্বাস স্থাপন কৰে যে অধ্যক্ষগৰাকী আধ্যাত্মিক গুণেৰে সমুজ্জ্বল তথা বিভূষিত ।

**<u>বৌদ্ধিক বিকাশঃ(Intellectual Development)</u>** 'বৌদ্ধিক' মানে মন আৰু মগজুৰ এক যৌথ কচৰতৰ ফচল, যি ফচল জ্ঞান আৰু প্ৰজ্ঞাৰে সমৃদ্ধ । জ্ঞান সীমিত আৰু সহজলভ্য । কিন্তু প্ৰজ্ঞা অসীম আৰু সাধনালব্ধ । উদাহৰণস্বৰূপেঃ 'সূৰ্য পূবদিশে উদয় হয়' বোলা কথাষাৰ জ্ঞানৰ ভিতৰুৱা কিন্তু 'সূৰ্য অনাদি অনন্ত কালৰে পৰা গ্ৰহসমূহৰ প্ৰাণশক্তি আৰু পোহৰৰ অনাবিল উৎস' এই উপলদ্ধিৰ আঁৰত আছে প্ৰজ্ঞাৰ ছিটিকনি । সকলো ক্ষেত্ৰতে কাৰ্য-কাৰণৰ সম্পৰ্ক সংশ্লেষণ কৰিব পৰাটো হ'ল প্ৰজ্ঞাত্মক দক্ষতাৰ প্ৰতিফলন । গতিকে, সম্প্ৰদায়ৰ বৌদ্ধিক ক্ষেত্ৰক নেতৃত্বদান কৰিবলৈ হ'লে অধ্যক্ষগৰাকী নিজেই প্ৰজ্ঞাৰ সাধক হোৱাটো সৰ্বজন কাম্য । অৰ্থাৎ অধ্যক্ষগৰাকী প্ৰজ্ঞা-পিপাসু, অধ্যয়নপুষ্ট, দূৰদৃষ্টি সম্পন্ন আৰু যথাৰ্থতে সংবেদনশীল ব্যক্তিৰূপে প্ৰতিষ্ঠিত হ'লেহে সম্প্ৰদায়ৰ মন আৰু হৃদয় জয় কৰা সম্ভৱপৰ হ'ব। তেতিয়া, অধ্যক্ষৰ প্ৰজ্ঞা-অন্তৰ্গমনে সকলোকে চুই গ'লে সম্প্ৰদায়ৰ বৌদ্ধিক বিকাশৰ নেতৃত্বদান প্ৰত্যাশিত মাত্ৰাত জিলিকি যে উঠিব তাত কোনো সন্দেহৰ অৱকাশ নাই ।

এইখিনিতে বৌদ্ধিক বিকাশৰ ধাৰাটিৰ স'তে ৰজিতা খোৱা দুটিমান নমুনা প্ৰশ্ন আগবঢ়োৱা হ'ল।

**প্ৰতিফলিত প্ৰশ্ন (Reflective Questions):**

ক) মই বা আমি কোন ?

খ) আমি কিয় পৃথিৱীলৈ আহিছো ?

গ) পৃথিৱীত আমাৰ স্থিতি কি ?

ঘ) সমাজৰ প্ৰতি আমাৰ কৰণীয় কি ?

ঙ) আমাৰ সীমিত শক্তি আৰু সাধ্যৰে সমাজখনলৈ কি কি অৱদান আগবঢ়াব পাৰো ?

**<u>নৈতিক বিকাশঃ(Moral Development)</u>**

কৰণীয়-অকৰণীয়, ন্যায়-অন্যায়, উচিত-অনুচিত, আকাংক্ষিত-অনাকাংক্ষিত আদি বিপৰীতধৰ্মী উপাদানৰ যথা বিচাৰ প্ৰক্ৰিয়াৰে ব্যক্তিজীৱন আৰু সামাজিক জীৱনধাৰাক আগবঢ়াই

নিয়াৰ বাবে যিবোৰ মূল্যমান ইতিবাচকভাৱে আমাৰ মন-মগজুত খোদিত হৈ থাকে তাকে নৈতিক প্ৰমূল্য বোলা হয় । স্বীকাৰ্য যে নৈতিক মূল্যবোধৰ আধাৰতে আমাৰ সামাজিক সম্পৰ্ক বৰ্তি আছে । সামগ্ৰিক বিকাশ সম্পৰ্কে এইখিনিয়েই পৰ্যাপ্ত ।

**<u>আচৰণ-নীতিঃ(Ethical Value)</u>**

আচৰণ-নীতি হ'ল অন্যতম মুখ্য প্ৰমূল্য যাৰ আধাৰত ব্যক্তিৰ ব্যক্তিত্ব, গৰিমা আৰু অনুকৰণ যোগ্যতাৰ মাত্ৰা নিৰূপন কৰা হয় । আনৰ মনত কষ্টৰ সৃষ্টি কৰাৰ প্ৰৱণতা পৰিত্যাগ হ'ল আচৰণ-নীতিৰ অন্তৰ্লীন উপাদান । সকলোৰে প্ৰতি সহনশীল আৰু শ্ৰদ্ধাৰ মনোভাব পোষণেই হ'ল আচৰণ-নীতিৰ চালিকা শক্তি । সেয়েহে, নেতৃত্বদানৰ প্ৰয়াস, অধ্যক্ষৰ আচৰণ-নীতি সৰ্বজন সমাদৃত হোৱাটো বাঞ্চনীয় । ইয়াত আচৰণ-নীতিৰ প্ৰতিফলনসূচক ভাব-বিনিময়ৰ নমুনা সংযোজন কৰা হ'ল ।

**<u>আচৰণ-নীতি প্ৰতিফলনৰ পৰিস্থিতিঃ(Reflective situation of Ethical Value)</u>**

**<u>অধ্যক্ষঃ</u>**

(অভিভাৱকক লক্ষ্য কৰি) আপোনাৰ ল'ৰাজনে অভব্য আচৰণ কৰিছে । ঘটনাটো সকলোৱে জানে । এতিয়া আপুনিয়েই কওকচোন, এই সন্দৰ্ভত কি ব্যৱস্থা লোৱা উচিত ?

**<u>অভিভাৱকঃ</u>**

আপুনি যিহেতু বিদ্যালয়খনৰ অধ্যক্ষ, মইনো কি ক'ম । যি কৰা উচিত বুলি আপুনি বিবেচনা কৰে তাকেই কৰক ।

**<u>অধ্যক্ষঃ</u>**

আপোনাৰ ল'ৰাটি মোৰ সন্তানৰ দৰেই । সেয়ে মই ভাবো, আপুনি ল'ৰাটিক খঙ-ৰাগ নকৰাকৈ ঘৰত বুজাব যে তাৰ আচৰণে আপোনাকহে লজ্জিত কৰিছে । তদ্ৰূপ আচৰণ কৰা অশোভনীয় । গতিকে সি ক্ষমা খোজা উচিত ।

**<u>অভিভাৱকঃ</u>**

ঠিক আছে মহোদয়, মই সেয়াই কৰিম । তাক ভালদৰে বুজাম । আপোনাৰ এই মহানুভৱ বিচাৰৰ বাবে অন্তৰভৰা ধন্যবাদ জনালোঁ ।


**<u>সামৰণি (Conclusion):</u>**

কথাক কাৰ্যলৈ ৰূপান্তৰিত কৰাটো দৃঢ়মনা ব্যক্তিত্বৰ পৰিচায়ক । সকলো অংশীদাৰৰ বক্তব্যক গুৰুত্ব দি এক সুপৰিকল্পনাৰ মাধ্যমত আপাতঃজটিল কথাকো সহজ কৰি তুলিব পৰা যায়।

ইয়াৰ অৰ্থে বিদ্যালয়ৰ অধ্যক্ষগৰাকীয়ে সমন্বিত প্ৰয়াসেৰে স্বপ্নদ্ৰষ্টাৰ ভূমিকা পালন কৰিব পাৰে । মানৱ শক্তিক উজ্জীৱিত কৰি পৰিচালনা কৰিবলৈ উদ্যমিত তথা অক্লান্ত মনোবৃত্তিৰ আৱশ্যক । অৱশ্যে, তাৰ বাবে দক্ষতা অৰ্জন হ'ল এক পূৰ্বচৰ্ত । অধ্যক্ষগৰাকী শিক্ষণ-শাস্ত্ৰত পাৰদৰ্শী হোৱাৰ লগতে এগৰাকী নিপুন সংগঠক, আভ্যন্তৰীণ শৃংখলাবোধসম্পন্ন আৰু সামাজিক দায়বদ্ধতাৰে উজ্জল ব্যক্তিৰূপে পৰিগণিত হোৱাটো কাম্য । সম্প্ৰদায়ক নেতৃত্ব দিবলৈ সামাজিক সত্তাৰ নয়নৰ মণি বুলি অভিহিত হ'ব লাগিব ।

এইখিনিতে, বিদ্যালয় পৰ্যায়ত নেতৃত্বৰ বিকাশ সন্দৰ্ভত নতুন দিল্লীস্থিত 'শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসনৰ ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়'- এ প্ৰস্তুত কৰা মূলক্ষেত্ৰসমূহৰ চিত্ৰখন পুনৰ লক্ষ্য কৰিব বিচাৰিছোঁ যাতে নেতৃত্বদানৰ গাঁথনি সম্পৰ্কে সদা সচেতন হৈ থাকিব পৰা যায় ।

**<u>সাতটা মূলক্ষেত্ৰত চিত্ৰঃ</u>**



**প্ৰসংগ পুস্তিকা/পুথিঃ**

ক) ৰাষ্ট্ৰীয় কৰ্মসূচী পৰিকল্পনা আৰু কেৰিকুলামৰ ৰূপৰেখা By: NIEPA, New Delhi-16.

খ) Total Quality Management in Education. By: M. Bondopadhaya, NIEPA, New Delhi-16.